# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ পূৰ্বে প্ৰয়াগৰাজৰ আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

২। ভাৰত আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ- ইউ এ ইৰ যুটীয়া আয়োগৰ পঞ্চদশ বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জাহাজ নিৰ্মাণ ক্ষেত্ৰত ভাৰতক বিশ্বৰ ভিতৰতে এখন আগশাৰীৰ দেশ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰিছে।

৪। লোকসভাত আজি ভাৰতীয় সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দুদিনীয়া আলোচনা আৰম্ভ হ'ব।

*আৰু*

৫। ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ডম্মাৰাজু গুকেশ বিশ্ব দবা ইতিহাসৰ সৰ্বকনিষ্ঠ দবা চেম্পিয়ন হিচাপে পৰিগণিত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ পূৰ্বে প্ৰয়াগৰাজৰ আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে ৭ হাজাৰ কোটি টকাৰ ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত ১০ খন নতুন উৰন সেঁতু, নদী ঘাট, নদীৰ দাঁতিৰ পথ আদি সামৰি লোৱা হৈছে। এই প্ৰকল্পসমূহে প্ৰয়াগৰাজ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ মাজত যোগাযোগ অধিক সূচল কৰি তুলিব। শ্ৰীমোদীয়ে লগতে গংগা নৈলৈ অপৰিশোধিত আৱৰ্জনা বোৱাই নিয়াত বাধা প্ৰদান কৰাৰ উদ্দেশ্যে কেইটামান প্ৰকল্পও মুকলি কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী আজি দিনৰ প্ৰায় ১২ বাজি ১৫ মিনিটত প্ৰয়াগৰাজত উপস্থিত হোৱাৰ কথা আছে। তেওঁ গংগা, যমুনা আৰু সৰস্বতী নৈৰ সংগমস্থল ত্ৰিবেনী সংগমত আনুষ্ঠানিকভাৱে পূজা অৰ্চনা আগবঢ়াব। তেওঁ লগতে মহাকুম্ভ মেলা অনুষ্ঠিত হ'বলগীয়া অঞ্চলো পৰিদৰ্শন কৰিব আৰু প্ৰস্তুতিৰ বুজ ল'ব। প্ৰয়াগৰাজত অহা বছৰ ১৩ জানুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ মহাকুম্ভ মেলা অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাছিঅ' লুলা দা ছিলভাৰ অস্ত্ৰোপচাৰ সফলতাৰে সম্পূৰ্ণ হোৱাক লৈ সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ সুস্বাস্থ্য কামনা কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰ আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ- ইউ এ ইৰ বিদেশ মন্ত্ৰী শ্বেইখ আব্দুলা বিন জায়েদ বিন চুলতান অল নাহয়ানে আজি নতুন দিল্লীত দেশ দুখনৰ যুটীয়া আয়োগৰ পঞ্চদশ বৈঠকত সহ্‌ অধ্যক্ষতা কৰিব।

দুয়োগৰাকী নেতাই কালি নতুন দিল্লীত উভয় দেশৰ চতুৰ্থ কৌশলগত আলোচনাত সহ্‌ অধ্যক্ষতা কৰে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত ড° জয়শংকৰে কয়, যে কৌশলগত আলোচনা হৈছে এখন ফলপ্ৰসূ মঞ্চ, যিয়ে নেতাসকলে প্ৰদৰ্শন কৰা পথক বাস্তৱত ৰূপায়িত হোৱাত সহায় কৰে। তেওঁ কয় যে বৈঠকত সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰসমূহৰ লগতে দুয়োখন দেশৰ স্বাৰ্থ জড়িত হৈ থকা মূল বিষয়সমূহ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

ইউ এ ইৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰতৰ সৈতে চতুৰ্থ কৌশলগত আলোচনা আৰু যুটীয়া আয়োগৰ পঞ্চদশ বৈঠকত ভাগ লোৱাৰ উদ্দেশ্যে যোৱা বুধবাৰে নিশা নতুন দিল্লীত উপস্থিত হয়। অভ্যাগত নেতাগৰাকীক আদৰণি জনাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে সামাজিক মাধ্যম এক্সৰ জৰিয়তে কৈছে যে মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মাজত থকা বহুমুখী সৰ্বাত্মক কৌশলগত সহযোগিতাক অধিক শক্তিশালী কৰি তুলিব।

উল্লেখযোগ্য যে, ভাৰত আৰু ইউ এ ইৰ মাজত শতিকা পুৰণি বাণিজ্যিক সম্পৰ্ক আছে। ২০২২-২৩ বিত্তীয় বৰ্ষত দেশখন ভাৰতৰ বাবে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ চতুৰ্থ বৃহৎ উৎস হিচাপে পৰিগণিত হৈছিল। দেশখনে ভাৰতৰ আন্তঃগাঁথনি খণ্ডত ইতিমধ্যে ৭ হাজাৰ ৫০০ কোটি ডলাৰ বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। পশ্চিম এছিয়াৰ এই ৰাষ্ট্ৰখনত ৩৫ লাখৰো অধিক ভাৰতীয় লোকে বসবাস কৰে আৰু দেশখনৰ নাগৰিকসকল ভাৰতীয় সংস্কৃতিৰ সৈতে ভালদৰে পৰিচিত।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে সামুদ্ৰিক আৰু জাহাজ নিৰ্মাণ ক্ষেত্ৰত ভাৰতক বিশ্বৰ ভিতৰতে এখন আগশাৰীৰ দেশ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত কালি ভাৰতীয় সামুদ্ৰিক ঐতিহ্য সন্মিলনৰ সামৰণি সত্ৰত ভাষণ দি শ্ৰীসোণোৱালে বন্দৰৰ কাম-কাজৰ পৰা আৰম্ভ কৰি বৃহৎ আন্তঃগাঁথনিৰ বিকাশলৈ দেশে বিশ্বমানৰ স্বীকৃতি লাভ কৰিছে বুলি মন্তব্য কৰে। শ্ৰীসোণোৱালে কয়, যে এই সন্মিলনে প্ৰাক্‌ ঐতিহাসিক জাহাজ নিৰ্মাণ আৰু ইয়াৰ সৈতে জড়িত আনুসংগিক পদ্ধতিত আলোকপাত কৰি আমাৰ বৰ্ণাঢ্য ইতিহাসক প্ৰতিফলিত কৰে। তেওঁ লগতে কয়, যে অনাগত দিনত লোথালত হ'বলগীয়া ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য প্ৰাংগণে ভাৰতৰ জাহাজ খণ্ডৰ সন্দৰ্ভত বিশ্ববাসীৰ ধাৰণাক পুনৰ ৰূপ দিব। ১১ খন দেশৰ বিশেষজ্ঞ আৰু শিক্ষাবিদসকলে অংশগ্ৰহণ কৰা এই দুদিনীয়া সন্মিলনত সামুদ্ৰিক খণ্ডৰ সমসাময়িক প্ৰত্যাহ্বানসমূহৰ বহনক্ষম সমাধানৰ সন্দৰ্ভত বিভিন্ন আলোচনা অনুষ্ঠিত হয়।

০০০০০

লোকসভাত আজি ভাৰতীয় সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দুদিনীয়া আলোচনা আৰম্ভ হ'ব। সদনৰ প্ৰশ্নোত্তৰ কালৰ পাছত এই আলোচনা আৰম্ভ হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আলোচনাৰ পাতনি মেলিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ সংবিধান সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব। এই দুদিনীয়া আলোচনাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ কাৰ্যালয়ত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জে পি নাড্ডাকে ধৰি অন্যান্য মন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বিৰোধী পক্ষৰ

সৈতে কৰা চুক্তি অনুসৰি বিজেপি শাসিত এন ডি এ চৰকাৰে লোকসভাত আজি আৰু কাইলৈ আৰু ৰাজ্যসভাত ১৬ আৰু ১৭ ডিচেম্বৰত সংবিধান সন্দৰ্ভত আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

ooooo

লোকসভাত কালি দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক ২০২৪ গৃহীত হয়। এই বিধেয়কখনে দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ৰ সংশোধন কৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, এন ডি এম এ আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, এছ ডি এম এৰ কাম-কাজসমূহ অধিক সূচল কৰি তুলিব। এই বিধেয়কখনে ৰাষ্ট্ৰীয় কাৰ্যবাহী সমিতি আৰু ৰাজ্যিক কাৰ্যবাহী সমিতিৰ পৰিৱৰ্তে এন ডি এম এ আৰু এছ ডি এম এক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনা আঁচনি প্ৰস্তুত কৰাৰ অধিকাৰ প্ৰদান কৰিছে। তাৰোপৰি বিধেয়কখনৰ জৰিয়তে ৰাজ্যৰ ৰাজধানী আৰু পৌৰ নিগম থকা চহৰসমূহৰ বাবে ৰাজ্য চৰকাৰক এখন পৃথক নগৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠনৰ অধিকাৰ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

বিধেয়কখন সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰ দি গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে এই বিধেয়কখনে দুৰ্যোগ প্ৰশমন আৰু সঠিক প্ৰস্তুতি গঢ়ি তোলা হৈছে নে নাই সেয়াও সুনিশ্চিত কৰিব। বিধেয়কখনে লগতে প্ৰাধিকৰণৰ দায়িত্ব আৰু কৰ্তব্যসমূহ স্পষ্ট কৰি দিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

দিল্লী বিধানসভাৰ সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছে ২১ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। প্ৰকাশিত তালিকা অনুসৰি দিল্লী কংগ্ৰেছৰ অধ্যক্ষ দেৱেন্দৰ যাদৱে বাদলি, সন্দীপ দিক্ষীতে নতুন দিল্লী, হাৰুন য়ুছুফে বাল্লিমৰাণ, ৰাগিনী নায়কে ৱাজিৰপুৰ, আব্দুল ৰহমানে ছিলমপুৰ আৰু অনিল ভৰদ্বাজে সদৰ বজাৰ বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

ooooo

ভাৰতীয় গ্ৰেণ্ডমাষ্টাৰ ডম্মাৰাজু গুকেশ বিশ্ব দবা ইতিহাসৰ সৰ্বকণিষ্ঠ দবা চেম্পিয়ন হিচাপে পৰিগণিত হৈছে। ছিংগাপুৰত অনুষ্ঠিত অষ্টাদশ এফ আই ডি ই বিশ্ব দবা চেম্পিয়নশ্বিপত চীনৰ ডিং লিৰেণক পৰাস্ত কৰি গুকেশে এই কৃতিত্ব অৰ্জন কৰে। খেলখন প্ৰায় ৫ ঘণ্টা জুৰি অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত ভাৰতীয় খেলুৱৈগৰাকীয়ে মুঠ ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰাৰ বিপৰীতে প্ৰতিদন্দ্বী খেলুৱৈগৰাকীয়ে ৬ দশমিক ৫ পইণ্টহে লাভ কৰিবলৈ সক্ষম

হয়। ইয়াৰ পূৰ্বে সৰ্বকণিষ্ঠ হিচাপে এই খিতাপ কৰাৰ অভিলেখ গেৰি কাছপাৰ'ভৰ নামত আছিল। তেওঁ ২২ বছৰ বয়সত এই কৃতিত্ব অৰ্জন কৰিছিল। গুকেশ হ'ল ভাৰতৰ দ্বিতীয় গৰাকী দবা বিশ্ব চেম্পিয়ন। গুকেশৰ পূৰ্বে বিশ্বনাথন আনন্দে চাৰিবাৰকৈ এই খিতাপ দখল কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেলুৱৈগৰাকীক এই কৃতিত্বৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

**সমাপ্ত**